# অসম বিধান সভা
## ২০২৬ চনৰ ১৫ জুলাইত উত্তৰ দিবলগীয়া
## লিখিত প্ৰশ্ন নং – ৩৫৬

**বিষয়ঃ গৰাখহনীয়াৰ বিষয়ে**

**শ্ৰীমৃণাল শইকীয়া, বিধায়ক**

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

**-প্ৰশ্ন-**

খুমটাই সমষ্টিৰ ধনশিৰি নতুন দলঙৰ ওচৰত ৰংদৈ পঞ্চায়তৰ অন্তৰ্গত ১ নং কৈৱৰ্ত গাঁৱত হোৱা গৰাখহনীয়া, গেলাবিল নদীৰ ইকৰানি, উত্তৰ আৰু দক্ষিণ দলিজলিয়াত হোৱা গাৰাখহনীয়াৰ বিষয়ে অৱগত নে?

যদি অৱগত খহনীয়া ৰোধৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে?

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী শ্ৰীযুত সুশান্ত বৰগোহাঁই দেৱে উত্তৰ দিবঃ**

**– উত্তৰ–**

হয় অৱগত।

খুমটাই সমষ্টিৰ ধনশিৰি নতুন দলঙৰ ওচৰত ৰংদৈ পঞ্চায়তৰ অন্তৰ্গত ১ নং কৈৱৰ্ত গাঁৱত হোৱা গৰাখহনীয়া তাৎক্ষণিক প্ৰতিৰোধৰ বাবে ২০২৫ চনত Flood Drill ৰ অধীনত কাম কৰা হৈছিল।

গেলাবিল নদীৰ ইকৰাণি নামঘৰৰ ওচৰৰ অংশত ২০২৩ চনত জিঅ'চিট, জিঅ'বেগ আৰু পাৰ্কুপাইনৰ কাম কৰা হৈছিল আৰু এই অংশটোত বৰ্তমান নতুনকৈ খহনীয়া হোৱা নাই।

উত্তৰ দলিজলিয়াৰ চকলাঘাট অংশত খহনীয়া প্ৰতিৰোধৰ বাবে Soil Conservation বিভাগে কিছু কাম কৰিছিলে আৰু তাৰ বাবে গোলাঘাট জলসম্পদ বিভাগৰ পৰা আপত্তি বিহীন প্ৰমানপত্ৰ (NOC) সংগ্ৰহ কৰিছিল।

গেলাবিল নদীৰ পাৰৰ দক্ষিণ দলিজলিয়াৰ প্ৰথম অংশত ২০২৪ চনত পাৰ্কুপাইন আৰু দ্বিতীয় অংশত ২০২৫ চনত Flood Drillৰ অধীনত জিঅ'চিটৰ (Laying of Geo-sheet) কাম কৰা হৈছিল।

উক্ত অঞ্চল সমূহৰ খহনীয়াৰ স্থায়ী সমাধানৰ বাবে বিভাগে জৰীপ কাৰ্য্য সম্পন্ন কৰিব আৰু প্ৰয়োজন সাপেক্ষে প্ৰাককলন প্ৰস্তুত কৰা হ'ব। পুঁজিৰ উপলভ্যতা সাপেক্ষে আঁচনি ৰূপায়নৰ কাম হাতত লোৱা হ'ব।

(উক্ত প্ৰশ্নৰ সৈতে কোনো পৰিশিষ্ট অনলাইন যোগে দাখিল কৰিবলগা নাই আৰু উত্তৰসমূহ অনলাইন যোগে **NeVA** পৰ্টেলত আপলোড কৰা হৈছে )

************************